**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-08-2026
**Time :** 1910 PM

ASSAMESE EVENING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। উচ্চতম ন্যায়ালয়ে নীটৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে লোৱা ব্যৱস্থা সম্পৰ্কীয় অভিযোগ চালি-জালি চাবলৈ উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিব।

২। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সৈতে ফেৰ মাৰিবলৈ দেশত উন্নত মানৰ কৃষি সামগ্ৰী উৎপাদন কৰিব লাগিব বুলি মন্তব্য কৰিছে।

৩। ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ ঘোষণা কৰা হৈছে।

৪। দেশজুৰি ২ কোটিৰো অধিক স্কুলীয়া শিক্ষাৰ্থীৰ বায়োমেট্ৰিক পৰিচয় সম্পূৰ্ণ কৰি ইউ আই ডি এ আইয়ে উল্লেখনীয় সফলতা অৰ্জন কৰিছে।

*আৰু*

৫। গালে টেষ্টৰ চতুৰ্থ দিনৰ খেলৰ সামৰণি পৰলৈকে শ্ৰীলংকাই দ্বিতীয় ইনিংছত চাৰিটা উইকেট হেৰুৱাই ৮৪ ৰাণ সংগ্ৰহ কৰিছে।

ooooo

নীটৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ বিৰুদ্ধে নতুন দিল্লীত হোৱা প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে লোৱা ব্যৱস্থা আৰু আৰক্ষী কৰ্মীৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনাৰ অভিযোগ চালি-জাৰি চাবলৈ সৰ্বোচ্চ ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, এগৰাকী প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান আৰু চি বি আইৰ প্ৰাক্তন সঞ্চালকক লৈ এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা হ'ব বুলি উচ্চতম ন্যায়ালয়ে সদৰি কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু ভি মোহানাক লৈ গঠিত এখন বিচাৰপীঠে সমিতিখনত অন্তৰ্ভুক্ত কৰিবলগীয়া অন্য সদস্য সন্দৰ্ভত বিভিন্ন পক্ষৰ পৰা পৰামৰ্শ লাভ কৰাৰ পাছত কাইলৈ সমিতি গঠন সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰা হ'ব বুলি প্ৰকাশ কৰে। বিচাৰপীঠখনে কয় যে উচ্চ ক্ষমতাপ্ৰাপ্ত সমিতিখনক তথ্য উদ্‌ঘাটনৰ দায়িত্ব অৰ্পণ কৰা হ'ব আৰু সমিতিখনৰ সকলো ধৰণৰ সুবিধা প্ৰদান কৰা হ'ব। সমিতিখনে মহিলা প্ৰতিবাদকাৰীৰ বিৰুদ্ধে যৌন আতিশয্য হোৱাৰ অভিযোগ আৰু সামাজিক মাধ্যমৰ জৰিয়তে অন্য দুৰ্বল ব্যক্তিক দোষী সজোৱাৰ ঘটনাৰো তদন্ত কৰিব বুলি ন্যায়ালয়ে ঘোষণা কৰে। ন্যায়ালয়ে লগতে দিল্লীত সংসদলৈ উলিওৱা শোভাযাত্ৰাৰ সময়ত ২০ জুলাইত সংঘটিত হিংসাত্মক ঘটনাৰ ভিডিঅ' ফুটেজ আৰু চিচি টিভিৰ ৰেকৰ্ডিংছ চালি-জাৰি চোৱাৰ বাবে সমিতিখনলৈ হস্তান্তৰ কৰিবলৈ নিৰ্দেশ দিয়া হ'ব বুলি উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সৈতে ফেৰ মাৰিবলৈ দেশত উন্নত মানৰ কৃষি সামগ্ৰী উৎপাদন কৰিব লাগিব। তেওঁ লগতে কয় যে ইয়াৰ বাবে আমি খেতিয়কসকলক নতুন কৃষি সামগ্ৰীৰ বিষয়ে শিক্ষিত কৰিব লাগিব। আজি নতুন দিল্লীত অনুষ্ঠিত হোৱা কৃষি গৱেষণা বিষয়ক এখন বৈঠকত শ্ৰীচৌহানে কৃষি সামগ্ৰীসমূহ পথাৰৰ পৰা আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ লৈ যাবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ বিষয়ে উল্লেখ কৰে। দেশৰ কৃষি খণ্ডই বিগত বৰ্ষত লাভ কৰা উন্নতিৰ

বিষয়ে প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে সন্তুষ্টি অনুভৱ কৰিছে বুলিও বৈঠকত প্ৰকাশ কৰে। তেওঁ ইয়াৰ বাবে খেতিয়কসকলৰ লগতে কৃষি বিজ্ঞানীসকলৰ শলাগ লয়।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আজি ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ ঘোষণা কৰে। প্ৰতিবছৰে ক্ৰীড়াৰ ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন কৰা ব্যক্তিসকলক এই বঁটাৰ বাবে বাছনি কৰা হয়। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ অৰুণ কুমাৰ মিশ্ৰৰ অধ্যক্ষতাত গঠিত এখন সমিতিয়ে এই বঁটাসমূহ ঘোষণা কৰে। এই অনুসৰি ক্ৰীড়াক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতাৰ বাবে ১৭ গৰাকী ব্যক্তিক ২০২৫ বৰ্ষৰ অৰ্জুন বঁটাৰ বাবে বাছনি কৰা হৈছে। এইসকলৰ ভিতৰত এথলেটিক্‌ছত তেজস্বীন শংকৰ, বেডমিণ্টনত তৃষা জলী আৰু পুলেলা গায়ত্ৰী গোপীচান্দ, হকীত লাল ৰেমচিয়ামী, কাবাডিত শ্ৰী সুৰজিত আৰু পূজাকে ধৰি কেইবাগৰাকীও ক্ৰীড়াবিদ আছে। একেদৰে ক্ৰীড়াক্ষেত্ৰত জীৱনজোৰা পাৰদৰ্শিতাৰ বাবে বিশিষ্ট ফুটবলাৰ আৰুমইনেয়াগমলৈ জীৱনজোৰা সাধনাৰ অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। তিনিগৰাকী বিশিষ্ট ক্ৰীড়াবিদলৈ ২০২৫ বৰ্ষৰ দ্ৰোণাচাৰ্য বঁটা আৰু আন দুগৰাকীলৈ জীৱনজোৰা সন্মান আগবঢ়োৱা হৈছে। একেদৰে পুনেৰ আৰ্মী পেৰালিম্পিক নোডলৈ ৰাষ্ট্ৰীয় খেল প্ৰোৎসাহন পুৰস্কাৰ আগবঢ়োৱা হৈছে।

ooooo

মহিলা সবলীকৰণৰ লক্ষ্যৰে দেশত পুনৰ ৩ কোটি লাখপতি বাইদেউ সৃষ্টি কৰা হ'ব বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। ইতিমধ্যে দেশৰ ৩ কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আজি ৰাজস্থানৰ বাৰনত এহেজাৰ ২৫৮ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। তেওঁ কয় যে ৰাজস্থানত এতিয়ালৈকে মহিলা সবলীকৰণৰ বাবে ১৩ হাজাৰ ৪৬১ কোটি টকা ব্যয় কৰা হৈছে। দেশৰ দৰিদ্ৰ পৰিয়ালসমূহৰ নিজৰ এটা বাসগৃহ লাভ কৰিবলৈ প্ৰধানমন্ত্ৰী গ্ৰাম্য আৱাস যোজনাৰ ক্ষেত্ৰতো বহুতো নিয়ম শিথিল কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে আজি উল্লেখ কৰে।

ooooo

সামান্য ধনৰ বিনিময়ত প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত ঋণ প্ৰদান কৰা বুলি সামাজিক মাধ্যমযোগে প্ৰচাৰিত বাতৰি চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৰ তথ্য পৰীক্ষণ গোটে এই সন্দৰ্ভত সামাজিক মাধ্যমযোগে প্ৰচাৰিত পত্ৰখন ভুৱা বুলি স্পষ্ট কৰি দিছে। গোটটোৱে মুদ্ৰা যোজনাৰ অধীনত কোনো ব্যক্তি অথবা ক্ষুদ্ৰ উদ্যমীক পোনপটীয়াকৈ ঋণ প্ৰদান কৰা নহয় আৰু আঁচনিখনে পুনৰবিত্ত যোগানৰ সংস্থা হিচাপেহে কাম কৰে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰোই জনসাধাৰণক সঠিক তথ্যৰ বাবে চৰকাৰী উৎসকহে ভৰসা কৰিবলৈ আহ্বান জনাইছে।

ooooo

ভাৰত আৰু ছিংগাপুৰৰ মন্ত্ৰী পৰ্যায়ৰ চতুৰ্থ বাৰ্ষিক ঘূৰণীয়া মেজমেল অহা বৃহস্পতিবাৰে অনুষ্ঠিত হ'ব। এই বৈঠকত ভাৰতৰ পৰা বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয় শংকৰ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু বাণিজ্য, উদ্যোগ, বৈদ্যুতিক আৰু তথ্যপ্ৰযুক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদে অংশ ল'ব। বৈদেশিক মন্ত্ৰী ড০ এছ জয়শংকৰে কয় যে ভাৰতীয় মন্ত্ৰীসকলৰ এই ছিংগাপুৰ ভ্ৰমণ কালত ছিংগাপুৰৰ মন্ত্ৰী তথা বিভিন্ন বিভাগৰ নেতাসকলৰ সৈতে বৈঠক মিলিত হ'ব। ২০২২ চনৰ ছেপ্তেম্বৰত নতুন দিল্লীত প্ৰথম বাৰৰ বাবে দুয়োখন দেশৰ মাজত ঘূৰণীয়া মেজমেল অনুষ্ঠিত হৈছিল। তেতিয়াৰে পৰা যোৱা তিনিটা সংস্কৰণত এই মেজমেলত দুয়োখন দেশৰ আন্তঃগাঁথনি, যোগাযোগ, স্বাস্থ্য আৰু ঔষধ, বহনক্ষম উন্নয়ন, দক্ষতা বিকাশ আদি বিষয়ত কৌশলগত অংশীদাৰিত্বৰ বিষয়ে আলোচনা কৰা

হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা মতে এই চতুৰ্থ বাৰ্ষিক মেজমেলত ইতিমধ্যে আলোচনা হোৱা বিষয়বোৰত লাভ কৰা সফলতা আৰু অন্যান্য দিশৰ ওপৰত পৰ্যালোচনা কৰা হ'ব। এই পদক্ষেপে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে এই মেজমেলৰ সমান্তৰালভাৱে চতুৰ্থ সংখ্যক ভাৰত-ছিংগাপুৰ বাণিজ্যিক ঘূৰণীয়া মেজমলো অনুষ্ঠিত হ'ব, য'ত দুয়োখন দেশৰ শীৰ্ষ পৰ্যায়ৰ বাণিজ্যিক নেতাসকলে অংশগ্ৰহণ কৰিব।

ooooo

ভাৰতীয় অনন্য পৰিচয় জ্ঞাপন প্ৰাধিকৰণে দেশজুৰি ২ কোটিৰো অধিক স্কুলীয়া শিক্ষাৰ্থীৰ বায়োমেট্ৰিক পৰিচয় সম্পূৰ্ণ কৰি উল্লেখনীয় সফলতা অৰ্জন কৰিছে। প্ৰাধিকৰণৰ তৰফৰ পৰা বিগত বৰ্ষৰ ছেপ্তেম্বৰত আৰম্ভ কৰা এই কাৰ্যসূচীৰ অধীনত এতিয়ালৈকে ১ লাখ ৫৬ হাজাৰৰো অধিক স্কুলক সামৰি লোৱা হৈছে। বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই কাৰ্যসূচীয়ে শিক্ষাৰ্থীসকলক আধাৰৰ বাবে প্ৰয়োজনীয় বায়োমেট্ৰিকৰ কাম-কাজ বিদ্যালয়তে কৰাৰ সুবিধা প্ৰদান কৰিছে। পাঁচ বছৰ বয়সৰ তলৰ শিশুসকলৰ বাবে এই বায়োমেট্ৰিক আপডেটত শিশুসকলৰ কেৱল ঠিকনা আৰু ফটো সন্নিৱিষ্ট কৰা হৈছে। এতিয়া বাধ্যতামূলক বায়োমেট্ৰিক আপডেট কৰা শিশুসকলে পুনৰ ১৫ বছৰ বয়সত বায়োমেট্ৰিক আপডেট কৰিব লাগিব। মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে আধাৰ কাৰ্ডৰ বাবে এই বাধ্যতামূলক বায়োমেট্ৰিক আপডেট নকৰিলে বিভিন্ন চৰকাৰী আঁচনি, প্ৰতিযোগিতামূলক পৰীক্ষা আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ প্ৰপত্ৰ পূৰণত সমস্যাই দেখা দিব।

ooooo

ঝাৰখণ্ডৰ গোমলা জিলাৰ ডুমৰী আৰক্ষী চকীৰ কাষৰীয়া এটা অঞ্চলৰ পৰা আজি নিষিদ্ধ ঘোষিত ঝাৰখণ্ড জন মুক্তি পৰিষদৰ চাৰিটা উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ কৰা উগ্ৰপন্থীকেইজনৰ ভিতৰত এজন সংগঠনটোৰ উপ-আঞ্চলিক কমাণ্ডাৰ ৰামদেৱ লোহৰা। উল্লেখযোগ্য যে চৰকাৰে এই ৰামদেৱ লোহৰাৰ নামত ৫ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। আৰক্ষী বিষয়া নৰেন্দ্ৰ সিঙে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ৰামদেৱ লোহৰাই তেওঁৰ সহযোগীসকলৰ সৈতে অঞ্চলটোৰ আকাশী আৰু জয়ৰাগী গাঁৱৰ সমীপত অৱস্থান লৈ আছিল। গ্ৰেপ্তাৰ হোৱা উগ্ৰপন্থীকেইটাৰ পৰা আৰক্ষীয়ে এটা এ কে-৫৬, এটা এ এল আৰ, ১৪৬ সজীৱ গুলী, এটা ৱাকিটকী, আঠটা মোবাইল ফোনৰ লগতে ভালেসংখ্যক আপত্তিজনক নথিপত্ৰ জব্দ কৰে।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ আজি চতুৰ্থ দিনৰ খেলৰ সামৰণি পৰলৈকে শ্ৰীলংকাই দ্বিতীয় ইনিংছত চাৰিটা উইকেট হেৰুৱাই ৮৪ ৰাণ সংগ্ৰহ কৰে। শ্ৰীলংকাই ছটা উইকেট বাকী থকা অৱস্থাত ২৮৮ ৰাণত পিছ পৰি আছে। ইয়াৰ পূৰ্বে ভাৰতে ১৯৩ ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু শ্ৰীলংকাৰ বাবে ৩৭২ ৰাণৰ লক্ষ্য স্থিৰ কৰি দিয়ে। দ্বিতীয় ইনিংছত ঋষভ পন্তে ভাৰতৰ হৈ সৰ্বাধিক ৬৬ ৰাণ সংগ্ৰহ কৰে। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল অহা ২৩ আগষ্টত কলম্বোত অনুষ্ঠিত হ'ব।

ooooo

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত BWF বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ মহিলাৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ উন্নতি হুদাই ম্যানমাৰৰ থেট টাৰ থুজাৱক পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটী তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে আমেৰিকা যুক্তৰাষ্ট্ৰৰ লৰেন লেম আৰু

এলিছন লীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত ভাৰতৰ লক্ষ্য সেন আজি সন্ধিয়া অষ্ট্ৰিয়াৰ কলিন্স ফিলিমনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

মিক্সড ডাবলছৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ ৰোহন কাপুৰ আৰু ঋত্বিকা শিৱানী গাড্ডেই কানাডাৰ জ'নাথ লাই আৰু কৃষ্টেল লাইৰ বিৰুদ্ধে অনুষ্ঠিত খেলত পৰাজয় বৰণ কৰে।

ooooo

সমাপ্ত